# খাদ্য: আমি ক'ৰ পৰা পাওঁ

# পাঠ: ১

# পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন : – ১) সকলো জীৱৰ বাবেই একে ধৰণৰ খাদ্যৰ প্ৰয়োজন বুলি তুমি ভাবানে ?

**উত্তৰঃ –** জীৱৰ বাবে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ খাদ্যৰ প্ৰয়োজন ।

প্ৰশ্ন : – ২) আমি খোৱা পাঁচবিধ উদ্ভিদ আৰু সিহঁতৰ অংশবোৰৰ নাম উল্লেখ কৰা ।

**উত্তৰঃ –** পাঁচবিধ উদ্ভিদ আৰু সিহঁতৰ অংশবোৰ হ'ল —

১) শস্য : বীজ

২) ঘেঁহু : বীজ

৩) তেলজাতীয় উদ্ভিদ : বীজ আৰু কাণ্ড

৪) বেঙেনা জাতীয় উদ্ভিদ : ফল

৫) আলু জিতীয় উদ্ভিদ : শিপা

প্ৰশ্ন : – ৩) 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা :

| **'ক' অংশ** | **'খ' অংশ** |
|---|---|
| ১) গাখীৰ , দৈ , পনীৰ , ঘিউ | ক) আন প্ৰাণী ভক্ষণ কৰে |
| ২) পালেং শাক , ফুলকবি , গাজৰ আদি | খ) উদ্ভিদ আৰু উদ্ভিদজাত সামগ্ৰী খায় |
| ৩) বাঘ আৰু সিংহই | গ) শাক পাচলি |

| | |
|---|---|
| ৪) তৃণজাতীয় প্ৰাণীয়ে | ঘ) সকলোবোৰ উদ্ভিদজাত সামগ্ৰী |

**উত্তৰঃ –** ১) গাখীৰ , দৈ , পনীৰ , ঘিউ – ঘ) সকলোবোৰ উদ্ভিদজাত সামগ্ৰী ।

২) পালেং শাক , ফুলকবি , গাজৰ আদি – গ) শাক পাচলি ।

৩) বাঘ আৰু সিংহই — ক) আন প্ৰাণী ভক্ষণ কৰে ।

৪) তৃণজাতীয় প্ৰাণীয়ে — খ) উদ্ভিদ আৰু উদ্ভিদজাত সামগ্ৰী খায় ।

প্ৰশ্ন : – ৪) তলত দিয়া শব্দসমূহৰ খালী ঠাইবোৰ পূৰ কৰা :

তৃণভোজী , উদ্ভিদ , গাখীৰ , কুঁহিয়াৰ , মাংসভোজী ।

ক) বাঘ এবিধ — কাৰণ ই মাংস খায় ।

**উত্তৰঃ –** ক) বাঘ এবিধ মাংসভোজী কাৰণ ই মাংস খায় ।

খ) হৰিণাই কেৱল উদ্ভিদজাত সামগ্ৰী ভক্ষণ কৰে আৰু সেয়ে ইয়াক — বোলা হয় ।

**উত্তৰঃ –** খ) হৰিণাই কেৱল উদ্ভিদজাত সামগ্ৰী ভক্ষণ কৰে আৰু সেয়ে ইয়াক তৃণভোজী বোলা হয় ।

গ) ভাটোৱে কেৱল — সামগ্ৰী ভক্ষণ কৰে ।

**উত্তৰঃ –** গ) ভাটোৱে কেৱল উদ্ভিদ সামগ্ৰী ভক্ষণ কৰে ।

ঘ) — এবিধ পানীয় যাক গৰু , মহ আৰু ছাগলীয়ে উৎপাদন কৰে আৰু ই প্ৰাণীজাত সামগ্ৰী ।

**উত্তৰঃ –** ঘ) গাখীৰ এবিধ পানীয় যাক গৰু , মহ আৰু ছাগলীয়ে উৎপাদন কৰে আৰু ই প্ৰাণীজাত সামগ্ৰী ।

ঙ) আমি চেনি পাওঁ — পৰা ।

**উত্তৰঃ –** ঙ) আমি চেনি পাওঁ কুঁহিয়াৰ পৰা ।